# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-SEP-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হয়। বিয়লি ৫ বজাত ভোটগ্ৰহণ সম্পন্ন হয়। বৰ্তমান সংসদ ভৱনত এই নিৰ্বাচনৰ ভোট গণনা চলি আছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দিতা হৈছে।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছে।

ooooo

মটক স্বায়ত্ত শাসিত পৰিষদৰ কৃষি বিভাগৰ উদ্যোগত অসম কৃষি বিশ্ববিদ্যালয়ত মহিলা কৃষকৰ বাবে দুদিনীয়াকৈ অনুষ্ঠিত শিক্ষামূলক ভ্ৰমণ আৰু কৃষি প্ৰশিক্ষণৰ আজি সামৰণি পৰে। এই প্ৰশিক্ষণত মটক জনগোষ্ঠীৰ ৪০গৰাকী মহিলা কৃষকে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ অন্তত আজি অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি প্ৰযুক্তি তথ্য কেন্দ্ৰত সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড০ ৰঞ্জিত কুমাৰ সাউদে কৃষি প্ৰযুক্তিৰ তথ্য আহৰণ কৰি অধিক উন্নয়নৰ বাবে এনে ধৰণৰ প্ৰশিক্ষণে উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰে। গ্ৰাম্য অৰ্থনীতিৰ সবলীকৰণৰ বাবে কৃষিক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ অধিক হোৱাটো প্ৰয়োজন বুলিও তেওঁ মন্তব্য কৰে।

ooooo

যোৰহাট জিলাৰ তিতাবৰৰ চিনামৰাত চি আই এছ এফৰ উদ্যোগত চাইবাৰ সুৰক্ষাৰ সামৰ্থ্যবৰ্দ্ধন সন্দৰ্ভত এটা কাৰ্যসূচী আজি অনুষ্ঠিত হয়। এই অনুষ্ঠানত চি আই এছ এফৰ কমেও ৭০গৰাকী জোৱানে মত বিনিময় কালত চাইবাৰ সুৰক্ষা সম্পৰ্কে অৱগত কৰে। তেওঁলোকে জনসাধাৰণক চাইবাৰ অপৰাধীৰ কবলত নপৰাকৈ কিদৰে নিজৰ কাম-কাজসমূহ কৰিব পাৰি এই বিষয়ে পৰামৰ্শ দিয়ে।

ooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

ooooo

মাদক দ্ৰব্যৰ আসক্তসকলৰ চিকিৎসা আৰু পুনৰ্বাসন সুনিশ্চিত কৰাৰ লগতে মাদক দ্ৰব্যৰ আসক্তিৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টিৰ বাবে শিলচৰৰ গান্ধী ভৱনত আজি এখন গুৰুত্বপূৰ্ণ সভাৰ আয়োজন কৰা হয়। স্বেচ্ছাসেৱী সংস্থা

ৰুট টু কানেক্ট আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যিক কাৰ্যপৰিকল্পনা আৰু ৰাষ্ট্ৰীয় মাদক চাহিদা হ্ৰাস কাৰ্যপৰিকল্পনাৰ অংশ হিচাপে এই সভাৰ আয়োজন কৰা হয়। সভাখনত এখন সংবাদ মেল সম্বোধন কৰি অতিৰিক্ত জিলা আয়ুক্তই শাৰিৰীক আৰু মানসিক দিশত মাদক দ্ৰব্যৰ কুপ্ৰভাৱৰ বিষয়ে ব্যাখ্যা কৰে। মাদক দ্ৰব্যৰ আসক্তি প্ৰতিৰোধ আৰু সজাগতাৰ ক্ষেত্ৰত কাছাৰ জিলাৰ সংবাদ মাধ্যমৰ ভূমিকা সম্পৰ্কে সভাখনত বিতংভাৱে আলোচনা কৰা হয়।

ooooo

কাছাৰ আৰক্ষীয়ে যোৱা ২৪ ঘণ্টাত অভিযান চলাই জিলাখনত দুজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে শিলচৰৰ লিংক ৰোডৰ পৰা পংকজ চৌধুৰী আৰু কালাইনৰ পৰা সুবীৰ চৌধুৰী নামৰ চিকিৎসক দুজনক গ্ৰেপ্তাৰ কৰে। এই লোক দুজনে দীৰ্ঘদিন ধৰি চিকিৎসক হিচাপে সেৱা আগবঢ়াই আহিছিল। যোৱা মাহত আৰক্ষীয়ে ছজন এনে ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে বুলি কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই প্ৰকাশ কৰে। লোক দুজনৰ পৰা ভালেসংখ্যক আপত্তিজনক নথিপত্ৰ জব্দ কৰা হৈছে।

ooooo

ধেমাজি আৰক্ষীয়ে আজি অভিযান চলাই জিলাখনৰ লেলুৱনি ৰঙাজানৰ পৰা বুজন পৰিমাণৰ ভাং জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। আটক কৰা লোকজনৰ পৰা আৰক্ষীয়ে প্ৰায় ১০ কিলোগ্ৰাম ভাং জব্দ কৰে।

ooooo

ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়া কাৰ্যালয় আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত **সাংসদ খেল মহোৎসৱ ২০২৫**ৰ প্ৰস্তুতিমূলক সভা আজি শ্ৰী শ্ৰী আউনীআটি শাখা সত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অহা ২১ ছেপ্তেম্বৰৰ পৰা ২৫ ডিচেম্বৰলৈকে সমগ্ৰ দেশতে এই মহোৎসৱ অনুষ্ঠিত হ'ব। আজিৰ সভাত জিলা ক্ৰীড়া বিষয়া চেমি শইকীয়াই এই সন্দৰ্ভত সকলোকে অৱগত কৰে। দেশৰ গাঁৱে-ভূঞে তৃণমূল পৰ্যায়ত ক্ৰীড়া প্ৰতিভাক চিনাক্ত কৰি বিকশিত কৰা, পৰম্পৰাগত আৰু থলুৱা খেলসমূহৰ প্ৰচাৰ কৰাৰ লগতে অঞ্চলভিত্তিক চিনাক্ত কৰি খেলসমূহ সংৰক্ষিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। সাংসদ খেল মহোৎসৱ ২০২৫ৰ নিৰ্ধাৰিত পাঁচটা অলিম্পিক স্বীকৃতিপ্ৰাপ্ত প্ৰতিযোগিতা, ফুটবল, ভলীবল, ক্ৰিকেট আৰু লঘূ আৰু দীৰ্ঘ দূৰত্বৰ এথলেটিকছ্।

ooooo

**সমাপ্ত**